Sample question paper

2025-26

Class -X

Subject- Assamese

Subject code- 014

Time: 3 hours Full marks :80

Section A

Comprehension (বোধ পৰীক্ষণ)

a) তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিওৱা। 1x9=9

অসমৰ শৰৎ কাল

ঋতু চক্ৰৰ হিচাপত শৰতৰ স্থান তৃতীয় আৰু সেই অনুসৰি ভাদ আৰু আহিন মাহত এই ঋতু পৰে। কিন্তু প্ৰকৃতিৰ অৱস্থালৈ চাই বহুতে আহিন আৰু কাতি মাহহে শৰৎকাল বুলি ধৰে।

শৰতত প্ৰকৃতি শ্যামলী হয়, শস্য পথাৰবোৰ শ্যামল ৰূপেৰে মনোমোহা হৈ পৰে, মৃদু মলয়া বয়। নদ- নদী, সুনিৰ্মল সৰসীৰ বাৰিধিৰত বিভিন্ন বিহংগই আনন্দৰ মেলা পাতে। ভেঁট আৰু পদুমৰ ৰূপে মন মোহিত কৰে। গাঁওবোৰৰ আলি- পদুলিয়ে বাৰিষাৰ পংকময় আৰু আৱৰ্জনাময় প্ৰলেপ আতঁৰাই পৰিষ্কাৰ- পৰিচ্ছন্ন ৰূপ গ্ৰহণ কৰে। বাগিচাত তগৰ, শেৱালি, উৎপল, হাচনাহানা প্ৰস্ফুটিত হয়। সুনিৰ্মল আকাশত প্ৰতিভাত হয় স্নিগ্ধ চন্দ্ৰমাৰ জ্যোতি । মুঠতে গগন, পৱন, ধৰাতল, পৰ্বত- কন্দৰ, সৰিৎ- সাগৰ সকলোতে সুনিৰ্মল পৰিৱেশ, সেয়ে শৰত ঋতুৰাণী নামে বিভূষিতা।

শৰৎকালত বিভিন্ন উৎসৱ পালন কৰা হয়। শ্ৰীৰামে ৰাৱণক নিধন কৰিবলৈ শক্তি লাভৰ বাবে অকালতে ব্ৰহ্মাৰ হতুৱাই দুৰ্গাদেৱীৰ বোধন কৰাই পূজা কৰিছিল বুলি প্ৰবাদ আছে। সেই অনুসৰি শক্তিৰ উপাসকসকলে সৌৰ আহিনত দুৰ্গাপূজা উদযাপন কৰে। আহিনৰ সংক্ৰান্তিৰ দিনাই কাতি বিহু অনুষ্ঠিত হয়। এই শৰততে দেৱী দুৰ্গাই শুম্ভ- নিশুম্ভ আৰু ৰক্তবীজক নিধন কৰিবৰ বাবে কালী ৰূপ ধাৰণ কৰিছিল। সেয়ে ভক্তসকলে কালী পূজা পাতে। আন এক আখ্যান মতে কাতি মাহৰ আঁউসীৰ দিনা লংকা জয় কৰি অযোধ্যাত প্ৰবেশ কৰিছিল। তেওঁক আদৰণি জনাবৰ বাবে ধূপ-দীপ জ্বলাইছিল, তাৰ পৰাই দীপাৱলী উৎসৱ আৰম্ভ হয়।

দ্বাপৰ যুগত এই শৰতৰে পূৰ্ণিমাৰ নিশা যমুনাৰ পাৰত শ্ৰীকৃষ্ণ আৰু গোপীসকলে ৰাসলীলা কৰিছিল। তদুপৰি ভাদ- আহিন মাহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰু মাধৱদেৱৰ তিথি পালন কৰা হয়। এই শৰততে কৃষ্ণ অষ্টমীত জন্মাষ্টমী পালন কৰা হয়।

উৎসৱৰ উপৰিও শৰতত খেতি- শালি ধান, বাও ধান আদি নদন বদন হয়। মাহ, সৰিয়হ আদি সিচা হয়। তদুপৰি আলু, পিয়াজ, কবি, মূলা, লাই, লফা, চুকা, ধনীয়া, বিলাহী, লাউ, বেঙেনা আদি শাক পাচলি; জৰা , সুমথিৰা, নেমু আদি টেঙা ফল-মূল প্ৰচুৰ পৰিমাণে উৎপন্ন হয়।

প্ৰশ্ন:

I) প্ৰকৃতিৰ অৱস্থালৈ চাই কোন মাহত শৰৎ কাল ধৰা হয়?
   A. ভাদ- আহিন
   B. আহিন- কাতি
   C. কাতি
   D. আহিন

II) গাওঁবোৰৰ আলি পদুলি শৰৎ কালত কি ৰূপ ধৰে?
   A. আৱৰ্জনাময়
   B. পংকময়
   C. পৰিষ্কাৰ
   D. ধূলিময়

III) শৰতক কি নামেৰে বিভূষিত কৰা হয়?
   A) ঋতুৰাজ
   B) ঋতুসুন্দৰী
   C) ঋতুৰাণী
   D) ঋতুপৰ্ণা

IV) দেৱী দুৰ্গাই কাক বধিবলৈ কালী ৰূপ ধাৰণ কৰিছিল?
   A. ৰাৱণক
   B. ৰক্তবীজক
   C. মহিষাসুৰক
   D. কুম্ভকৰ্ণক

V) কাতি বিহু অনুষ্ঠিত হয়
   A. আহিনত
   B. কাতিত
   C. ভাদ
   D. আহিনৰ সংক্ৰান্তিত

VI) জৰা ফলৰ সোৱাদ কেনেকুৱা?
   A. টেঙা
   B. মিঠা
   C. কেঁহা
   D. জ্বলা

VII) বিপৰীত শব্দ লিখা- 'পূৰ্ণিমা'
   A. অমাৱস্যা
   B. জোনাক

C. দিন
D. ৰাতি

VIII) সমাৰ্থক শব্দ লিখা- 'সৰসী'

A. নদী
B. খাল
C. সৰোবৰ
D. নলা

IX) 'প্ৰকৃতি' -শব্দটোত কি উপসৰ্গ যোগ হৈছে?

A. প্ৰ
B. পৰা
C. পৰি
D. পৰ

b) তলত দিয়া প্ৰশ্নকেইটা চমু উত্তৰ লিখা 2x3=6

A) শৰৎ কালত প্ৰকৃতিয়ে কেনেৰূপ ধাৰণ কৰে?

B) শৰৎ কালত কি কি উৎসৱ পালন কৰা হয় ?

C) শৰৎ কালত কি কি শস্য উৎপন্ন হয় ?

## Section B

(লিখন কলা)

(2)a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। শিৰোনাম আৰু নীতিশিক্ষা দিবা। 5x1=5

এখন গাঁৱত এজন মানুহৰ দুজনী জীয়েক ৰূপেশ্বৰী আৰু গুণেশ্বৰী।......ৰূপেশ্বৰীক কুকুৰীকণাৰ লগত বিয়া দিলে।.....জোৱায়েকে শহুৰৰ ঘৰত গৰু ওভোতাই দিবলৈ আহিল। সন্ধ্যা লাগিল।......গৰুৰ নেজত ধৰি গৰুটো গোহালিত থৈ আহিল.......শাহুৱেকে ভাত খাবলৈ মাতিলে। গধূলি দেখা নাপায় বাবে গুনেশ্বৰীক হাতত ধৰি নিবলৈ কলে।..... জোৱায়েকৰ ভাতৰ পাতৰ পৰা মেকুৰীও খাই আছিল....কুকুৰীকণাই দেখা নাই। মেকুৰীক খেদিবলৈ কাঠ খৰি এডাল দিলে।.....দেখা নাপাই শাহুৱেকৰ হাতত কোব মাৰিলে।.....ঘৰলৈ উভতি যোৱাৰ বাট নেদেখি কচুৱনিত থাকিল।......শাহুৱেকে লেতেৰা পানী মাৰি পঠিওৱাত গাত পৰাত বৰষুণ বুলি ভাবি কুকুৰীকণাক দয়া কৰিব কলে.....শাহুৱেকে শুনি সকলোকে জোৱায়েক কুকুৰীকণা বুলি জনাই দিলে ।

নাইবা

b) যিকোনো এখন ৰচনা লিখা। 5×1=5

I) স্বচ্ছ ভাৰত অভিযান

II) মোৰ জীৱনৰ লক্ষ্য

3) তোমাৰ বিদ্যালয়ত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতা বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰবাবে এখন প্ৰতিবেদন লিখা। 5x1=5

4) তলত দিয়া যিকোনো এটা ফকৰা- যোজনা বুজাই লিখা। 5x1=5

I) আঠুৰা চাই ঠেং মেলা

II) কিনা হাঁহৰ ঠোটলৈকে মঙহ

5) তোমাৰ অঞ্চলটোত ৰাজহুৱা পুথিভঁৰাল নিৰ্মাণৰ অনুৰোধ জনাই চৰকাৰী বিভাগলৈ এখন চিঠি লিখা। চিঠিত নাম আৰু ঠিকনা সাংকেতিক চিহ্নত লিখিবা। 5x1=5

6) তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰা (যিকোনো ৫ টাৰ) 1x5=5

গাই বাই চোৰা, ঘৰ ভাঙ, চকু মুদ, চকু ৰাখ, মুখলৈ চা, দাঁত লগা

## Section-C

(ব্যাকৰণ)

7) তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই লিখা ? 1x4=4

I) দুৰ্গম

A. দুঃ+ গম
B. দুৰ+গম
C. দূ+গম
D. দুৰ্গ+ম

II) দিগন্ত

A. দিগ+অন্ত
B. দিক+অন্ত
C. দি+অন্ত
D. দিঃ+অন্ত

III) হতাহত

A. হত+আহত
B. হতা+ হত
C. হ+ আহত
D. হতা+ আহত

IV) গায়ক

A. গা+অয়ক
B. গৈ+ অক
C. গা+ওক
D. গায়+ক

8) শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা। 1x2=2

I) উপসৰ্গ কি?

A. অব্যয়
B. বিশেষ্য
C. বিশেষণ
D. সৰ্বনাম

II) 'পৰাক্ৰম '- শব্দটোত কি উপসৰ্গ যোগ হৈছে?

A. পৰ
B. পৰা
C. প
D. পৰি

9) উত্তৰ লিখা 1x2=2

I) তলৰ কোনটো অনুসৰ্গ নহয়?

A. দে
B. চোন
C. হি
D. বৰ

II) 'হবলা'- অনুসৰ্গটো কি অৰ্থত ব্যৱহাৰ হয় ?

A. অনুৰোধ
B. অনিশ্চয়তা
C. আদেশ
D. আশ্চৰ্য

10) শুদ্ধ সমাৰ্থক শব্দ বাছি উলিয়াই লিখা । 1x2=2

I) ঘৰ

A. বৈভৱ
B. ভৱন
C. দিবা
D. নীৰদ

II) বায়ু

A. তটিনী
B. ধৰা
C. সমীৰ
D. জলদ

11) বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখা । 1×2=2

I) গ্ৰহণ

A. বৰ্জন
B. গহীন
C. শেষ
D. অচল

II) সংযোগ

A. ঠেক
B. বিয়োগ
C. বন্ধ
D. দানৱ

12) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা 1x4=4

I) আমি ৰাতিপুৱা শ্বিলঙলৈ যাম

A. সৰল বাক্য
B. জটিল বাক্য
C. মিশ্ৰ বাক্য
D. যৌগিক বাক্য

II) হৰি যে চোকা ল'ৰা, মই আগতে জনা নাছিলো

A. সৰল বাক্য
B. যৌগিক বাক্য
C. মিশ্ৰ বাক্য
D. জটিল বাক্য

III) তুমি পঢ়াত মনোযোগ দিয়া নাছিলা বাবে কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলা

A. সৰল বাক্য
B. যৌগিক বাক্য
C. জটিল বাক্য
D. মিশ্ৰ বাক্য

IV) যদুৰ জ্বৰ হৈছিল যদিও সি পৰীক্ষা দিলে

A. সৰল বাক্য
B. যৌগিক বাক্য
C. মিশ্ৰ বাক্য
D. জটিল বাক্য

13) উত্তৰ লিখা 1x2=2

I) নামধাতু বুলিলে কি বুজা?
II) কি কি প্ৰত্যয় যোগ কৰি নামধাতু কৰা হয় ?

14) উত্তৰ লিখা 1x2=2

I) বৰ্তমান কাল কাক বোলে?

II) অতীত কাল কেই প্ৰকাৰৰ আৰু কি কি ?

## Section-4

(গদ্য ভাগ)

15) তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা 4x1=4

I) "এটা সংমিশ্ৰিত- সংস্কৃতিসম্পন্ন জাতি, ইয়াক নুই কৰাৰ কোনো যুক্তি তৰ্কৰ অৱকাশ নাই" । - ইয়াত লিখকে কাক আৰু কি সংস্কৃতিসম্পন্ন জাতি বুলি কৈছে? নুই কৰাৰ কোনো যুক্তি তৰ্কৰ অৱকাশ নাই- কথাষাৰৰ সত্যাসত্যতা বিচাৰ কৰা।

II) ল'ৰা ছোৱালীৰ কামৰ পাৰ্থক্য দেখি পাহিয়ে মাকক কি কৈছিল?মাকে তাৰ প্ৰত্যুত্তৰত পাহিক কি বুজনি দিছিল?

16) চমু উত্তৰ লিখা( যিকোনো এটাৰ) 2x1=2

I) অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি পাঠটোত থকা খাদ্যবস্তুৰ এখন তালিকা প্ৰস্তুত কৰা ।

II) সফল উদ্যোগী হবলৈ কিয় কঠিন?

17) উত্তৰ লিখা 1x4=4

I) শিক্ষকসকলে পাহি আৰু বিদিশাক কি দায়িত্ব দিছিল?

II) শৰীৰ সুস্থ ৰাখিবলৈ আমাক কিমান শতাংশ অম্লজান লাগে?

III) অসমত স্বাধীনতা সূৰ্য কেতিয়া অস্ত গৈছিল ?

IV) নাৰায়ণ মূৰ্তি কোন?

(পদ্য ভাগ)

18) যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা 4x1=4

I) সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা ।

অধমে জানিবো কেনে তোমাৰ মহিমা। - কবিতাফাঁকি ব্যাখ্যা কৰা

II) মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।

যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।–কবিতাফাঁকিৰ অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা।

19) চমু উত্তৰ লিখা ( যিকোনো এটাৰ) 2×1=2

I) 'কহয় মাধৱ হৰি দাসকু দাস'। ইয়াত মাধৱ কোন? দাসকু দাস পদে কাক বুজাইছে?

II) প্ৰশস্তি কবিতাটোত কবিয়ে প্ৰকৃতিৰ কি কি বস্তু উল্লেখ কৰিছে?

20 ) উত্তৰ লিখা 1x4=4

I) মাধৱদেৱে ৰামায়ণৰ কোনটো খণ্ড অনুবাদ কৰিছে?

II) জিকিৰৰ সৈতে কোনবিধ গীতৰ সাদৃশ্য দেখা যায় ?

III) জিকিৰৰ যোগদি কেনেধৰণৰ শব্দ অসমীয়া ভাষাত প্ৰবেশ কৰিছে ?

IV) ৰঘুনাথ চৌধাৰীয়ে লিখা কবিতা পুথি দুখনৰ নাম লিখা।

............